# জাননী

দিনাংকঃ ১৫-১০-২০২৬

বিষয়: স্নাতক তৃতীয়, পঞ্চম আৰু সপ্তম ষাণ্মাসিকৰ শিক্ষাৰ্থীসকলৰ বাবে মাচুল ৰেহাই আঁচনিৰ অনলাইন আবেদন দাখিল সম্পৰ্কে।

ইয়াৰ দ্বাৰা মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ স্নাতক তৃতীয়, পঞ্চম আৰু সপ্তম ষাণ্মাসিকৰ সমূহ ছাত্ৰ ছাত্ৰীৰ জ্ঞাতাৰ্থে জনোৱা হ'ল যে, চৰকাৰী মাচুল ৰেহাই আঁচনিৰ অধীনত অনলাইন আবেদন দাখিল কৰাটো তলত উল্লেখ কৰা দুয়োটা শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বাধ্যতামূলক।

১. সম্পূৰ্ণ মাচুল ৰেহাই লাভ কৰা শিক্ষাৰ্থী: যিসকল ছাত্ৰ ছাত্ৰীয়ে সম্পূৰ্ণ মাচুল ৰেহাইৰ সুবিধা লাভ কৰি মহাবিদ্যালয়ত নামভৰ্তি কৰিছে, তেওঁলোকে অনলাইন আবেদন দাখিল কৰিব লাগিব।

২. ৫০% মাচুল আদায় দি নামভৰ্তি কৰা শিক্ষাৰ্থী: যিসকল ছাত্ৰ ছাত্ৰীয়ে পৰীক্ষাত Backlog থকাৰ বাবে ৫০% নামভৰ্তি মাচুল আদায় দি নামভৰ্তি কৰিছে, তেওঁলোকেও অনলাইন আবেদন দাখিল কৰাটো বাধ্যতামূলক। পৰৱৰ্তী সময়ত Backlog থকা বিষয়সমূহত উত্তীৰ্ণ হ'লে, চৰকাৰী নিয়ম অনুসৰি তেওঁলোকে অহা শিক্ষাবৰ্ষত সম্পূৰ্ণ মাচুল ৰেহাইৰ সুবিধা লাভ কৰাৰ যোগ্য হ'ব।

সেয়েহে, ওপৰত উল্লেখ কৰা দুয়োটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক কাইলৈ অৰ্থাৎ ১৬ অক্টোবৰ, ২০২৬ তাৰিখৰ ভিতৰত অনলাইন আবেদন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ জৰুৰীভাৱে নিৰ্দেশ দিয়া হৈছে।

সকলো ছাত্ৰ ছাত্ৰীক বিষয়টো অত্যন্ত গুৰুত্বসহকাৰে লৈ কোনো ধৰণৰ পলম নকৰাকৈ অনলাইন আবেদন দাখিল কৰিবলৈ আহ্বান জনোৱা হ'ল।

**ৱেবসাইট লিংকঃ** https://assamshesp.samarth.edu.in

অধ্যক্ষ
মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়
মাণিকপুৰ

Principal
Manikpur Anchalik College
Manikpur